অধ্যায় ৮ ঃ মাধৱদেৱ — *নামঘোষা* - ১

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 *নামঘোষা*

8.3.1 তাত্ত্বিক দিশ

8.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.5 অধিক জানিবলৈ

8.6 অগ্রগতিৰ খতিয়ান

8.7 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মাধৱদেৱৰ শ্রেষ্ঠতম সৃষ্টি *নামঘোষা*ৰ বিষয়বস্তু সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- *নামঘোষা*ত প্রতিফলিত বৈষ্ণৱ ধর্মৰ ভক্তিতত্ত্ব সম্পর্কে বিশ্লেষণ আগবঢ়াব পাৰিব
- *নামঘোষা*ৰ মাজত ফুটি উঠা ভক্ত কবি মাধৱদেৱৰ জীৱন দর্শনৰ আভাস লাভ কৰিব।

৮.২ পৰিচয়

এইটো 'অসমৰ ধর্মীয় পৰম্পৰা আৰু সাহিত্য' শীর্ষক পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডটোৰ প্রথম অধ্যায় আৰু ক্রম হিচাপে অষ্টম অধ্যায়। ইতিমধ্যে পূর্বৱর্তী খণ্ডটোত আমি অসমত প্রচলিত কেইটামান ধর্মীয় ধাৰাৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা *আদি দশম*ৰ সম্যক পৰিচয় লাভ কৰিলোঁ। লগতে দুটা আখ্যানৰ আধাৰত কেনেদৰে ভক্তিতত্ত্ব প্রকাশ পাইছিল সেই বিষয়েও বহলাই আলোচনা কৰিলোঁ। গুৰু শংকৰদেৱৰ পদাংক অনুসৰণ কৰি মাধৱদেৱেও বিভিন্ন সাহিত্যকৃতিৰে অসমীয়া ভক্তি সাহিত্যৰ ধাৰাটোক সমৃদ্ধ কৰিছিল। এতিয়া এইটো অধ্যায়ত আমি মাধৱদেৱৰ জীৱনৰ অন্যতম কৃতি *নামঘোষা* পুথিখনৰ বিষয়ে চমুকৈ অধ্যয়ন কৰিম। ইয়াৰ পৰৱর্তী অধ্যায়ত *নামঘোষা*ৰ প্রথম 50 কূট ঘোষা বিশেষভাৱে অধ্যয়ন কৰিম।

গুৰুৰ আজ্ঞানুসৰি মাধৱদেৱে জীৱনৰ শেষভাগত *নামঘোষা* গ্রন্থখন ৰচনা কৰে। পাণ্ডিত্য আৰু সৃজনাত্মক মৌলিক প্রতিভাৰ অপূর্ব স্বাক্ষৰ *নামঘোষা* গ্রন্থখনি মাধৱদেৱৰ জীৱনজোৰা ভক্তি ধর্মক্ষেত্র কর্ষণৰ সর্বোৎকৃষ্ট ফল। সেইবাবেই বাণীকান্ত কাকতিয়ে *নামঘোষা*ক মাধৱদেৱৰ

সোমাব খোজোতে পাণ্ডাৰ বেতৰ কোবৰপৰা হাত সাৰিবলৈ "হৰিৰ গৃহৰ দ্বাৰে বেত্রৰ প্রহাৰ যোগ্য" ঘোষাফাঁকি ৰচনা কৰিছিল; নৌকাযাত্রাকালত মৰা এজনক খৰি দি আত্মীয়সকলে কন্দা দেখি গুৰুৰ আজ্ঞা অনুসৰি মাধৱদেৱেও ঘোষাৰে কান্দিছিল এইবুলি — "কিমতে ভকতি কৰিবো তোমাক হৰি এ" ইত্যাদি। সেইবাবেই সমালোচকসকলে মন্তব্য কৰে যে— সম্ভৱতঃ জীৱনৰ বিভিন্ন সময়ত এইদৰে ৰচনা কৰা (বা অনুবাদ কৰা) ঘোষাবোৰ মাধৱদেৱে জীৱনৰ শেষ বয়সত গুৰুৰ আজ্ঞানুসৰি গ্রন্থৰূপ দিছিল।

নামঘোষাৰ 'নাম' শব্দটোৱে ভাব প্রধান অংশ আৰু 'ঘোষা' শব্দটোৱে ক্রিয়াত্মক অংশৰ পৰিচয় দিছে। ভক্তি সাধন মার্গত *'সাধন'* আৰু *'সাধ্য'* — উভয় স্তৰতে নামৰ মাহাত্ম্য ঘোষণা হৈছে বাবেই গ্রন্থখনৰ নাম *নামঘোষা* ৰখা যেন লাগে। আনহাতে *নামঘোষাক* সংক্ষেপে 'ঘোষা' বুলিও কোৱা হয়। ইয়াৰ 'নাম শব্দটোৱে কেৱল হৰিনাম বা ভগৱানৰ নামকহে বুজাইছে। অর্থাৎ ভগৱান শ্রীকৃষ্ণৰ নামসমূহ আৰু তেওঁৰ লীলাকহে বুজিব লাগিব। তেনেকৈ 'ঘোষা' শব্দটোও তাৎপর্যপূর্ণ। সংস্কৃত 'ঘুষ' (ডাঙৰকৈ বা উচ্চ স্বৰে প্রকাশ কৰা)— ঘুষ + অ + আৰ পৰা ঘোষা হৈছে। 'ঘোষ' মানে 'নাদ'। 'নদ' শব্দে 'ঘঞ্ঞ' অর্থাৎ 'ধ্বনি' বুজায়। 'নাম উচ্চাৰণৰ লগত 'নাদ' বা 'ঘোষ'ৰ সুক্ষ্মভাৱে দৃঢ় সম্বন্ধ আছে। ভগৱানৰ নাম পুনঃ আবৃত্তিৰ কথা আছে বাবেই এই গ্রন্থৰ নাম *নামঘোষা* ।

নামঘোষাৰ আধাতকৈও বেছি ঘোষাই মূলতঃ বিভিন্ন সংস্কৃত গ্রন্থৰ ভক্তিমূলক শ্লোকৰ অনুবাদ। কিন্তু অনুবাদ হ'লেও *নামঘোষাৰ* এই অনুবাদখিনি মৌলিক ঘোষাৰ দৰেই স্বচ্ছন্দ আৰু শুৱলা। বিভিন্ন গ্রন্থৰ শ্লোকসমূহ অসমীয়া ছন্দত ভাবৰ ধাৰাবাহিকতা ৰাখি অনুবাদ কৰোঁতে মাধৱদেৱে প্রায়ে মূলৰ পৰাই শব্দ চয়ন কৰিছে। এই অনুবাদখিনি কাব্যছন্দৰ বৈচিত্র্য, সুৰৰ যাদুস্পর্শৰে প্রাণস্পর্শী। সংসাৰৰ ক্লেশ কষ্টৰ পৰা মানৱৰ পৰিত্রাণৰ উপায় প্রদান কৰিবলৈ; নাম, দেৱ, গুৰু, ভকতৰ মাহাত্ম্য উদ্ঘাৰেৰে সৃষ্টিৰ ৰহস্য উদ্ঘাটন কৰিবলৈকে যেন এই পুথিখনত ঘোষাসমূহ সংকলিত কৰা হৈছে। মাধৱদেৱে বিষ্ণুপুৰী সন্যাসীৰ *ভক্তি ৰত্নাৱলী, ভাগৱত পুৰাণ, শ্রীমদ্ভাগৱত গীতা,* শ্রীধৰ স্বামীৰ *ভাৱার্থদীপিকা, ভক্তি ৰত্নাকৰ, স্কন্ধ পুৰাণ, পদ্মপুৰাণ, পাণ্ডৱীয় গীতা, মহাভাৰত* (উদ্যোগ পর্ব), *নৰসিংহ পুৰাণ, বৈষ্ণৱা মৃতলহৰী, মোহমুদগৰ, ব্রহ্মাণ্ডপুৰাণ, গৰুড় পুৰাণ, সিদ্ধান্ত প্রদীপ, গীতগোবিন্দম, নাৰদ সংহিতা, বহন্নাৰদীয় পুৰাণ, ভৱিষ্যৎপুৰাণ, বামনপুৰাণ, মৎসপুৰাণ, ভক্তিবিবেক*আদিৰ পৰা সমল সংগ্রহ কৰিছিল। অৱশ্যে বেছিভাগ ঘোষাৰে আধাৰ হ'ল *ভাগৱত পুৰাণ* আৰু *শ্রীমদ্ভাগৱত গীতা*। ঘোষাখিনি অনুবাদ কৰোঁতে মাধৱদেৱে সঘনাই জতুৱা ঠাঁচৰ শব্দ আৰু অলংকাৰ প্রয়োগ কৰি নিজৰ অনুভৱ-উপলব্ধিৰে সংশ্লেষণ কৰিছিল। এক কথাত ক'ব পাৰি মূলৰ অর্থৰ প্রতি সজাগ-সচেতন হৈ থাকিও মাধৱদেৱে নিজৰ কবিসত্তাৰ সূক্ষ্ম নির্মিতিৰে *নামঘোষাৰ* ঘোষাবোৰত এক অনির্বচনীয় প্রাণ দিব পাৰিছে বাবেই ইয়াক কেৱল অনুবাদ বুলি ভাবিব নোৱাৰি।

বাণীকান্ত কাকতীয়ে *নামঘোষাত* তিনিটা ভাবৰ ধাৰা মিহলি হৈ থকা বুলি কৈছে যদিও আৰু দুটা কথা বিশেষভাৱে মন কৰিবলগীয়া (বাণীকান্ত কাকতীদেৱৰ কথাখিনি পৰৱর্তী

তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৱম গুৰু।।

ঠিক সেইদৰে *নামঘোষাৰ* 'বস্তু প্রকাশ' কৈছে—

হৰি নাম ৱসে বৈকুণ্ঠ প্রকাশে
প্রেম অমৃতৰ নদী।
শ্রীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্রহ্মাণ্ডক ভেদি।।

হৰিভক্তি পন্থৰ উপদেশ দি দুখময় সংসাৰ পাৰ কৰোঁতা গুৰুৰ ঋণ পৰিশোধ কৰিবলৈ সেৱাৰ বাহিৰে যে অন্য উপায় নাই সেই কথাও মাধৱদেৱে উল্লেখ কৰিছে। "গুৰু ব্রহ্মা, গুৰু বিষ্ণু, গুৰুদেৱ মহেশ্বৰ। গুৰু সাক্ষাত পৱম ব্রহ্ম তস্মৈ শ্রীগুৰুৱে নমঃ।"— এই শ্লোকৰ সাৰতত্ত্বৰে মাধৱদেৱে *নামঘোষাৰ* গুৰু মাহাত্ম্য এইদৰে হৃদয়ৰ গভীৰ উপলব্ধিৰে প্রকাশ কৰিছে—

হৰি যেন অতি কৃপাময় ভক্ত গুৰুজনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্র ভিন্ন।
কৃপাৱসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰে হীন।।

—এইদৰে মাধৱদেৱে অতুলনীয় গুৰু ভক্তিৰ কথা বিভিন্ন ঘোষাত ব্যক্ত কৰি পুণ্যশ্লোক শঙ্কৰ স্মৃতিৰে কাতৰ হৈছে।

বাণীকান্ত কাকতিয়ে *নামঘোষাত* মাধৱদেৱৰ আত্মলঘিমাৰ চৰম পৰাকাষ্ঠা প্রকাশ পাইছে বুলি মত পোষণ কৰিছে। মাধৱদেৱৰ সামগ্রিক ৱচনাৱাজিত আমি দাস্য ভক্তি বা আত্মলঘিমা অতি গভীৰভাৱে প্রকট হোৱা অনুভৱ কৰোঁ। *নামঘোষাত* ইয়াৰ সর্ৱোৎকৃষ্ট প্রকাশ ঘটিছে। মাধৱদেৱে ভগৱানক জগতৰ নাথ বা স্বামী ৰূপে গ্রহণ কৰি নিজকে তেওঁৰ ভৃত্য বুলি সেৱা আগবঢ়াইছে। সেয়ে তেওঁ নিজকে 'দাসকু দাস', 'দীন-হীন মাধৱ', 'মুৰখমতি', 'দাসৰো দাস', 'ভৃত্যৰো ভৃত্য' বুলি পৰিচয় দিছে। ভক্ত কবিজনাই যেন আজীৱন কৃষ্ণৰ দাস হিচাপে আত্মসমর্পণ কৰি দাস্য ভাবৰ মহাসাগৰত অৱগাহন কৰি পৱম শান্তি লাভ কৰিছে—

মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।।

মন কৰিবলগীয়া যে নিস্পৃহ ভক্ত নহ'লে এনে আত্মলঘিমা সূচক ভাব প্রকাশ কৰাটো কঠিন। প্রার্থনাসূচক ঘোষা চৰণত ভক্ত কবিজনাই দাস্য ভাবৰ চূড়ান্ত ৰূপ দিছেঃ

নাজানোহো আৱাহন নাজানোহো বিসর্জন
পূজামন্ত্র নাজানো কিঞ্চিত

ভাবাত্মক দর্শনৰ আধাৰ তেতিয়া কৃষ্ণৰ লীলাৰ বাবে আকৃতি ধৰা ৰূপতকৈ নাম ৰূপৰ মাহাত্ম্যইহে গুৰুত্ব পাইছে।

নামঘোষাৰ আদিভাগত ছবি, দুলড়ি, লেছাৰিৰ পিছত পদ আৰু নামছন্দত মাধৱদেৱক তত্ত্বৰ সাগৰৰ পৰা উঠি অনুভূতিৰ আকাশত উন্মুক্ত হোৱা আত্মবিস্মৃত ভক্তৰ ৰূপত পাব পাৰি। মন কৰিবলগীয়া যে *নামঘোষা* আধ্যাত্মিক তত্ত্বমূলক গ্ৰন্থ হৈও এখনি অপূৰ্ব কাব্যিক সৌন্দর্যৰে মণ্ডিত কাব্যগ্ৰন্থ। ইয়াৰ প্ৰতিটো ঘোষাই স্বতন্ত্ৰভাৱে একোটি গুটীয়া কবিতাৰূপ। আনহাতে কাব্যৰ অখণ্ড ভাব প্ৰবাহ, ধ্বনিৰ তৰংগায়িত লয় আৰু ভাব আৰু বিষয় অনুৰূপে ছেদৰে সংস্থাপিত। আনহাতে গভীৰ তত্ত্বকথাৰ স্বচ্ছন্ন আৰু সৰল ব্যাখ্যা *নামঘোষাৰ* সৌন্দর্যৰ অন্যতম আধাৰ। পুথিখনত গভীৰ আধ্যাত্মিক তত্ত্বও ৰস সাহিত্যৰ দৰে প্ৰাণস্পৰ্শী হৈ উঠিছে। আটাইতকৈ মন কৰিবলগীয়া যে *নামঘোষাত* কোনো ধৰণৰ ৰূপক ধর্মী কাহিনীৰ আশ্ৰয় নোলোৱাকৈয়ে ভৰ সংসাৰৰ দুখ-যন্ত্ৰণাৰ পৰা উদ্ধাৰৰ পথৰ সন্ধান কৰা হৈছে। সেই পথত নিজকে ইন্দ্ৰিয়সহ সর্বস্ব নিয়োজিত কৰি দিব নোৱৰা ধৰণৰ খেদভৰা আকুলতাও *নামঘোষাৰ* কাব্যনন্দৰ অন্যতম উৎস। এনে কাৰণতে অনুদিত ঘোষাবোৰতো দেখা পাওঁ অসমীয়া ভাষাৰ সর্বোৎকৃষ্ট প্ৰকাশ। বিভিন্ন ধৰণৰ অলংকাৰৰ প্ৰয়োগেৰেও *নামঘোষা* সমৃদ্ধ। উদাহৰণস্বৰূপে—

তর্ক শাস্ত্র মহাব্যাঘ্রী তাহাত নিপুন পতি
তাৰ শিষ্য ভৈল পুত্র প্রাই।
সংসাৰ বনত পসি পতি পুত্র সমন্বিতে
উপনিষৎ ধেনু ধৰি খাই।।

ইয়াত প্ৰয়োগ হোৱা উপমেয় উপমানবোৰ মন কৰক—

তর্কশাস্ত্র— মহাবাঘিনী
তর্কশাস্ত্রত পার্গত পণ্ডিত— বাঘিনীৰ পতি
শিষ্যসকল—বাঘৰ পুত্রস্বৰূপ
সংসাৰ— অৰণ্য
উপনিষৎ— গাই-গৰু

—এনে ধৰণৰ অলংকাৰেৰে নির্মিত সুললিত স্তৱক *নামঘোষাত* অলেখ আছে।

আগতেও কোৱা হৈছে যে *নামঘোষাত* ছন্দৰ এক ভাবানুগামী ক্ৰম আছে। ছবি, দুলড়ি পদ, লেছাৰি, ঘোষাছন্দ আৰু নামছন্দলৈ বিষয়বস্তুৱে ক্ৰমে তত্ত্বৰ পৰা আত্মবিস্মৃত আৱেগলৈ গতি কৰিছে। ছবিছন্দত আৰম্ভণিতে প্ৰার্থনা ছেদত আত্মনিন্দা আৰু দাস্যভক্তিসূচক বিননি আৰু আত্মসমর্পণমূলক ভাবৰ বুৰবুৰণি উঠিছিল—

মই সম পাপী লোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপ হাৰি

এই ভক্তি কাব্য *নামঘোষা* ৰচনা কৰে। শংকৰদেৱে অন্তিমবাৰ বেহাৰলৈ যাওঁতে মাধৱদেৱক ভক্তিধর্মৰ সাৰভাগক প্রকাশ কৰিবলৈ এখনি পুথি প্রণয়ন কৰাৰ আজ্ঞা কৰিছিল। সেই আজ্ঞা শিৰোধার্য কৰিয়েই মাধৱদেৱে *নামঘোষা* ৰচনা কৰে। বৈষ্ণৱ ধর্মৰ চাৰি পুথিৰ অন্যতম *নামঘোষা*খন মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য-চর্চাৰ উজ্জ্বল চানেকি স্বৰূপ।

- *নামঘোষা*ত এহেজাৰ ঘোষা থকাৰ বাবে 'হাজাৰী ঘোষা'ও বোলা হয়। বাণীকান্ত কাকতীয়ে *নামঘোষা*ত তিনিটা ভাবৰ ধাৰা মিহলি হৈ থকা বুলি কৈছে — পুণ্যশ্লোক শঙ্কৰ স্মৃতি, আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য। এই তিনিওটা ভাবৰ ধাৰাৰ মূল কাৰণ হৈছে তত্ত্বক হৃদয়ৰ অনুভূতিলৈ ৰূপান্তৰ কৰি নিজকো দ্রৱীভূত কৰিব পৰা ৰসময়ী ভক্তিৰ আৱেগ। অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।
- অধ্যায়টিত *নামঘোষা* গ্রন্থখনিৰ তাত্ত্বিক দিশ সম্পর্কে বহলাই আলোচনা কৰাৰ লগতে ভক্তপ্রাণ মাধৱদেৱৰ জীৱন দর্শন কেনেদৰে প্রতিফলিত হৈছে সেই বিষয়েও আলোকপাত কৰা হৈছে। উল্লেখযোগ্য যে *নামঘোষা* সুৰানুগত গায়কীৰহে অসমৰ সমগ্র জনতাৰ প্রাণত প্রাণৱন্ত হৈ আহিছে। এই ধাৰা বৰগীতৰ দৰে ৰাগ আৰু তালেৰে নিবন্ধিত নহয় যদিও সুৰৰ বিচৰণৰ ৰূপ, লয় আৰু ভক্তিভাবৰ ঘনত্ব আদি বৈশিষ্ট্য সামৰি এই ধাৰাকো আন এক মার্গীয় ধাৰা বুলি অভিহিত কৰিব পাৰি।



৮.৫ অধিক জানিবলৈ

1) কাকতি, বাণীকান্ত (2006); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

২) গোস্বামী, নাৰায়ণ চন্দ্র (২০০১); *কীর্ত্তন-ঘোষা আৰু নামঘোষা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ।

৩) চলিহা, ভৰ প্রসাদ (সম্পা) (১৯৮৯); *মাধৱদেৱ আৰু সংস্কৃতি* ঃ শ্রীমন্ত শংকৰদেৱ সংঘ।

৪) দত্ত, অনিমা (২০০৩); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) দত্ত বৰুৱা, হৰিনাৰায়ণ (১৯৭০); *সটীক নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৬) দাস, ইলাৰাম (২০১৪); *নামঘোষা ৰসামৃত কৃষ্ণ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) দাস, কৈলাশ আৰু কলিতা মৰল, ৰজিতা (সম্পা.)(২০০৬); *অসমীয়া ভক্তি সাহিত্য;* শ্রীমন্ত শংকৰদেৱ সংঘ।

৮) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) নেওগ, মহেশ্বৰ (সম্পা.) (১৯৯৭); *কীর্তন-ঘোষা আৰু নামঘোষা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

(খ) *নামঘোষা*ৰ অনূদিত ঘোষাসমূহৰ প্ৰধান আধাৰ গ্ৰন্থ দুখনৰ নাম লিখক।

(গ) *নামঘোষা*ৰ 5 টা ছেদৰ নাম উল্লেখ কৰক।

(ঘ) *নামঘোষা*ত ব্যৱহৃত চাৰিটা ছন্দৰ নাম লিখক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *নামঘোষা*ৰ বিশেষভাৱে মন কৰিবলগীয়া দিশ সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

ক) গুৰুভক্তিৰ মহিমা খ) মাধৱদেৱৰ আত্মলঘিমা

গ) পুণ্যশ্লোক শংকৰস্মৃতি ঘ) *নামঘোষা*ৰ অনুবাদ ৰীতি

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থ হিচাপে *নামঘোষা*ৰ বিচাৰ-বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ২ ঃ *নামঘোষা*ৰ দাৰ্শনিক ভিত্তি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ঃ "বাণীকান্ত কাকতীয়ে *নামঘোষা*ত তিনিটা ভাবৰ ধাৰা মিহলি হৈ থকা বুলি কৈছে — পুণ্যশ্লোক শঙ্কৰ স্মৃতি, আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য।" — কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰক।

*** ***** ***